# অসম বিধান সভা

## ২০২৬ চনৰ ২৯ জুলাইত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২৭১

**বিষয়ঃ খেতি পথাৰত বিস্তৰ ক্ষতিসাধন সম্পৰ্কে ।**

**শ্ৰী বিনোদ হাজৰিকা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) চাবুৱা লাহোৱাল সমষ্টিৰ অন্তৰ্গত বালিজানৰ পৰা পুখুৰীজানলৈ প্ৰায় ৩ কিলোমিটাৰ নদী কাষৰীয়া অঞ্চল ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত সেই অঞ্চলৰ চাহ বাগিচা, অন্যান্য খেতি পথাৰত বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে পুৰণি তামুলী আলিটোত ভাবুকি আহি পৰিছে । এই বিষয়ে বিভাগ জ্ঞাতনে ? যদিহে জ্ঞাত, চৰকাৰে কিবা পদক্ষেপ হাতত লৈছেনে ?

(খ) যদি লৈছে, তেন্তে কেতিয়ালৈ এই অঞ্চল গৰাখহনীয়াৰ কৱলৰ পৰা মুক্ত হ'ব সেই বিষয়ে বিস্তৃত ভাবে জনাব ।

(গ) যদিহে লোৱা নাই, তেন্তে কিমান দিনৰ ভিতৰত এই ব্যৱস্থা কৰিব ?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**-উত্তৰ-**

(ক) হয়, বালিজানৰ পৰা পুখুৰীজান অঞ্চলত চলি থকা গৰাখহনীয়াৰ সন্দৰ্ভত জলসম্পদ বিভাগ ইতিমধ্যে অৱগত ।

জলসম্পদ বিভাগে খহনীয়াগ্ৰস্ত অঞ্চলত গুৱাহাটীৰ Central Store ৰ পৰা যোগান ধৰা 'মেগা জিঅ'-বেগ' (Mega Geo-Bags) launching কৰি বৰ্তমানে জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰিছে।

ইয়াৰ উপৰিও, এই বালিজান অঞ্চলটোক সুৰক্ষিত কৰিবলৈ কেন্দ্ৰীয় জল আয়োগ, জলসম্পদ বিভাগ আৰু অইল ইণ্ডিয়া লিমিটেডৰ উচ্চপদস্থ বিষয়াসকলক লৈ গঠিত এটা দলে ০৯.০৭.২০২৬ তাৰিখে বালিজানৰ পৰা পুখুৰীজান পৰ্যন্ত খহনীয়াগ্ৰস্ত অঞ্চলটো পৰিদৰ্শন কৰিছে। এই মৰ্মে জলসম্পদ বিভাগে অইল ইণ্ডিয়া লিমিটেড (OIL)ৰ ওচৰত ২০২৬-২৭ বৰ্ষৰ বাবে ৯.৩৮৭১ কোটি টকা ব্যয়সাপেক্ষে "Strengthening of existing protection works at Bogoritolia area for 2026-27" নামৰ এখন আঁচনিৰ প্ৰস্তাৱ দাখিল কৰিছে। শেহতীয়াকৈ অইলে

*Contd..p/2*

১৩.০৭.২০২৬ তাৰিখে ইয়াৰ অনুমোদন জনাইছে আৰু বৰ্তমান এই প্ৰকল্পটোৰ নিবিদা (Tendering) প্ৰক্ৰিয়া চলি আছে। আবন্টন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতেই কামসমূহ অতি সোনকালে আৰম্ভ কৰা হ'ব।

স্থায়ী সমাধান হিচাপে অসমৰ জলসম্পদ বিভাগে ৮৪.০৩৮৪ কোটি টকাৰ আনুমানিক ব্যয়ৰে "Restoration of Pukhurijan to Balijan ghat from the erosion of River Brahmaputra for the year 2025-26" শীৰ্ষক এখন আঁচনিৰ প্ৰস্তাৱ দাখিল কৰিছে। এই প্ৰকল্পটো বৰ্তমান দিল্লীৰ কেন্দ্ৰীয় জল আয়োগৰ (Central Water Commission) কাৰিকৰী পৰীক্ষণৰ অধীনত আছে। যাৱতীয় অনুমোদন আৰু প্ৰয়োজনীয় পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনিৰ কামসমূহ আৰম্ভ কৰিব পৰা হ'ব।

(খ) ওপৰত উল্লেখিত প্ৰকল্পসমূহৰ সফল ৰূপায়ণ সাপেক্ষে বালিজান অঞ্চলটোক খহনীয়াৰ পৰা ৰক্ষা কৰিব পৰা যাব।

গ) ওপৰত উল্লেখিত প্ৰকল্পসমূহৰ অনুমোদন আৰু প্ৰয়োজনীয় পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনিৰ কামসমূহ আৰম্ভ কৰিব পৰা হ'ব।

**(এই উত্তৰৰ সৈতে কোনো পৰিশিষ্ট দাখিল কৰিব লগা নাই। উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)**

***************